# অধ্যায় ১ ঃ ইতিহাসৰ পৰিচয়


1.1 উদ্দেশ্য

1.2 পৰিচয়

1.3 ইতিহাসৰ অর্থ আৰু পৰিসৰ

1.4 অনান্য সমাজ বিজ্ঞানৰ সৈতে ইতিহাসৰ সম্বন্ধ

1.4.1 ইতিহাস আৰু ভূগোল

1.4.2 ইতিহাস অৰু সমাজ তত্ব

1.4.3 ইতিহাস অৰু নৃতত্ব

1.4.4 ইতিহাস অৰু অর্থনীতি

1.4.5 ইতিহাস অৰু ৰাজনীতি বিজ্ঞান

1.5 অধ্যায়টোৰ পৰা আমি কি শিকিলো

1.6 প্রসংগ পুথি

1.7 অগ্রগতিৰ খতিয়ান

১.৮ আর্হি প্রশ্ন


## ১.১ উদ্দেশ্য

এই অধ্যায়টো অধ্যয়ন কৰি আপুনি—

- ইতিহাসৰ অর্থ সম্পর্কে জানিব পৰিব,
- ইতিহাসৰ পৰিসৰ সম্পর্কে আলোচনা কৰিব পৰিব,
- অনান্য সমাজ বিজ্ঞানৰ সৈতে ইতিহাসৰ সমন্ধ বিশ্লেষণ কৰিব পাৰিব।

## ১.২ পৰিচয়

আমি অধ্যয়ন কৰা বিভিন্ন বিষয় বিলাকৰ ভিতৰত ইতিহাস এটা পুৰণি বিষয়। ই. এইচ. কাৰৰ মতে " ইতিহাস হৈছে অতীত আৰু বর্তমানৰ মাজৰ পৰিসমাপ্তি নঘটা এক কঠোপকঠন"। বর্ত্তমান সময়ত ইতিহাস কিছুমান ঘটনা-পৰিঘটনাৰ আনুক্রমিক বিৱৰণক বুজাই আৰু ই নিতান্তই মানৱ জাতিৰ অতীতৰ লগত জড়িত। সাধাৰণতে ইতিহাস বুলিলে আমাৰ অতীতৰ অধ্যয়ক বুজায় । ইতিহাস আমাৰ সমাজৰ এটা মাত্র নিদিষ্ট দিশতেই আৱদ্ধ হৈ নাথাকে। ই মানৱ জাতিৰ সকলো দিশকেই সামৰি লয় । সেয়েহে ৰাজনীতি, সমাজ,সংস্কৃতি, ধর্ম, অর্থনীতি আদি যি দিশেই নহওঁক ইয়াৰ পৰিসৰৰ অন্তর্গত। এই অধ্যায়টোত আমি ইতিহাসৰ অর্থ, পৰিসৰ আৰু অনান্য সমাজ বিজ্ঞানৰ সৈতে ইতিহাসৰ সমন্ধ আলোচনা কৰিম।

## ১.৪ অনান্য সমাজ বিজ্ঞানৰ সৈতে ইতিহাসৰ সম্বন্ধ

আপোনালোকে ইতিমধ্যে ইতিহাসৰ অর্থ আৰু পৰিসৰৰ বিষয়ে জানিব পাৰিলে, এতিয়া আমি সমাজ বিজ্ঞানৰ অনান্য বিষয়সমূহৰ সৈতে ইতিহাসৰ সম্বন্ধৰ বিষয়ে আলোচনা কৰিম।

চিত্র ১.১ ঃ




**ওপৰৰ চিত্রটিত ইতিহাসৰ অনন্য সমাজ বিজ্ঞানৰ লগত সম্বন্ধ দেখুওৱা হৈছে।**

### ১.৪.১ ইতিহাস আৰু ভূগোল

ইতিহাস আৰু ভূগোলৰ মাজত এক ওচৰ সম্পর্ক পৰিলক্ষিত হয়। ইতিহাসৰ বিস্তৃত পৰিসৰে মানৱ অভিজ্ঞতাক পৰিবেষ্টিত কৰি ৰাখিছে। ভূগোলৰ পৰিসৰ এই ক্ষেত্রত সীমিত বা মানুহৰ সৈতে প্রকৃতিৰ বা বাহ্যিক পৰিবেশৰ সমন্ধ স্থাপন বা আদান - প্রদানতেই সীমাবদ্ধ। ভূগোল আৰু ইতিহাস বিষয় দুটাই এটা নিদিষ্ট প্রস্থৰ দুটা মৌলিক দিশ পর্যবেক্ষন কৰে । অন্যহাতে ভূগোলে স্থানৰ দিশৰ পৰা মানৱ অভিজ্ঞতা পর্য্যবেক্ষন কৰে । গতিকে দেখা যায় দুয়োটা বিষয়েই এটাই সময় আৰু আনটোৱে স্থানৰ বিচাৰৰ দ্বাৰা সীমাবদ্ধ। এই দুয়োটা দিশৰ এটাই আনটোক সদায় প্রভাবিত কৰে। ভূগোলৰ মূল ধাৰণা সমুহ যেনে - অঞ্চল (Region) স্থান (Place) অৱস্থিতি (Location) আদিৰ ইতিহাসৰ মূল ধাৰণা যেনে- ঘটনা পৰিঘটনা (Events), কাল - দৈর্ঘ্য (Period), সময় (Time) আদিৰ লগত পৃথক কৰিব নোৱাৰা সম্পর্ক আছে । মুঠতে ইতিহাস আৰু ভূগোলৰ অধ্যয়নৰ জৰিয়তে সময়, স্থান আৰু ঘটনা-পৰিঘটনাবোৰ কেনেদৰে এটাৰ দ্বাৰা আনটো প্রভাম্বিত হয় তাক বুজিব পাৰি।

### ১.৪.২ ইতিহাস আৰু সমাজতত্ব

ইতিহাস আৰু সমাজতত্বৰ মাজত এক ওচৰ সম্পর্ক পৰিলক্ষিত হয়। দুয়োটা

বা সংগঠিত হয় বা শাসন কৰে আৰু তাৰ দ্বাৰা এক অর্থপূর্ণ জীৱন নির্বাহ কৰে তাৰ বিশেষ অধ্যয়নৰ জৰিয়তে বিভিন্ন সামাজিক আৰু সাংস্কৃতিক পৰিক্রমাৰ অধ্যয়ন কৰে। উল্লেখনীয় যে সামাজিক সাংস্কৃতিক নৃতত্বই (Socio Cultural anthropology) বিভিন্ন সমাজৰ মাজত থকা সাদৃশ্য আৰু ভিন্নতাবোৰ বা সমাজখনৰ ভিতৰৰে সাদৃশ্য ভিন্নতাবোৰ আলোচনা কৰে আৰু এই ক্ষেত্রত জাতি বর্ণ, শ্রেণী, লিংগ আদিৰ অধ্যয়নত প্রাধান্য দিয়ে।

ইতিহাস আৰু নৃতত্ব দুয়োটা বিষয়েই মানুহৰ কার্য্যৰ লগত জড়িত। সামাজিক নৃতত্বই বিভিন্ন সামাজিক ঘটনা -পৰিঘটনাৰ সৃষ্টি কৰা মানৰ কর্মৰাজিৰ আলোচনা কৰে। ইতিহাসে এই ঘটনা -পৰিঘটনাৰ ব্যাখা আগবঢ়ায়। নৃতত্বই সভ্যতা - সংস্কৃতিৰ সৃষ্টি আৰু বিবর্তনৰ ক্রিয়া - প্রতিক্রিয়াসমূহ আলোচনা কৰে। অন্যহাতে ইতিহাসে সময় বা কালদৈর্ঘ্যৰ ওপৰত নির্ভৰ কৰি কোনো এটা নিদিষ্ট সভ্যতা সংস্কৃতিৰ আলোচনা কৰে। সেইদৰে ইতিহাস আৰু নৃতত্বৰ মাজত এক ওচৰ সম্পর্ক পৰিলক্ষিত হ'য়।

## ১.৪.৪ ইতিহাস আৰু অর্থনীতি

সামাজিক জীৱ হিচাপে মানুহৰ জীৱন ধাৰণ অর্থনীতিয়ে সকলো সময়তে প্রভাবিত কৰে। বিষয় হিচাপে অর্থনীতিয়ে অর্থনৈতিক দিশ সমুহৰ অধ্যয়নৰ জৰিয়তে এটা বিনিময় অর্থনৈতিক ব্যৱস্থাৰ উৎপাদন, বিতৰণ আৰু ভোগকৰণৰ প্রক্রিয়াটো নির্ধাৰিত কাৰণৰ সমগ্র প্রক্রিয়াটো বুজি উঠাত সহায় কৰে। পৰিবর্ত্তনৰ লগতে মানৰ জাতিৰ বিকাশত অর্থনীতি এক বিশেষ ভূমিকা আছে। ইতিহাসে যিহেতু মানুহৰ অতীত বা সামাজিক পৰিবর্তনৰ প্রক্রিয়াটো আলোচনা কৰে গতিকে ইতিহাস আৰু অর্থনীতিৰ মাজত এই ক্ষেত্রত এক ওচৰ সম্পর্ক পৰিলক্ষিত হয়। মার্ক্সীয় ঐতিহাসিক বস্তুবাদৰ মতে সকলো সামাজিক পৰিবর্তনৰে মূল কাৰক হ'ল অর্থনীতি। মানুহে অতীতত গ্রহণ কৰা অর্থনৈতিক ব্যৱস্থা বা নীতি বা মানুহৰ প্রয়োজন সমুহেই বহুসময়ত গ্রহণ কৰা সিদ্ধান্ত সমূহৰ মূল কাৰক। আমাৰ পূর্বপুৰুষ সকলৰ অর্থনৈতিক অৱস্থাৰ বা তেওঁলোকক প্রভাবিত কৰা বিভিন্ন অর্থনৈতিক কাৰক সমূহ অধ্যয়নৰ জৰিয়তে আমি ইতিহাসৰ বিবর্তন বুজিব পাৰো। বিভিন্ন সময়ৰ অর্থনৈতিক ব্যৱস্থা, বিভিন্ন সময়ত প্রচলিত মূদ্রা আদি ইতিহাস অধ্যয়নৰ এক বিশেষ উল্লেখনীয় সমল হিচাপে পৰিগণিত হয়।

## ১.৪.৫ ইতিহাস আৰু ৰাজনীতি বিজ্ঞান

ইতিহাস আৰু ৰাজনীতি বিজ্ঞানৰ মাজত এক অতি ওচৰ সম্পর্ক পৰিলক্ষিত হয়। জন চিলিৰ মতে " ৰাজনীতি বিজ্ঞান অবিহনে ইতিহাস হ'ল ফল বিহীন আৰু ইতিহাস অবিহনে ৰাজনীতি বিজ্ঞান হ'ল শিপাবিহীন"

আমি জানো যে ইতিহাস হ'ল অতীতৰ ঘটনা-পৰিঘটনাৰ অধ্যয়ন। ৰাজনীতি বিজ্ঞানক খুউব সংক্ষিপ্ত সংজ্ঞাবদ্ধকৰণ কৰি চালেও দেখা যায় যে ৰাজনীতি বিজ্ঞানে

- অনান্য সমাজ বিজ্ঞানৰ সৈতে ইতিহাসৰ সমন্ধ যেনে- ভূগোল, সমাজতত্ব, নৃতত্ব, অর্থনীতি, ৰাজনীতি বিজ্ঞান আদিৰ সৈতে ইতিহাসৰ সমন্ধ জানিব পাৰিলে।

## ১.৬ প্রসংগ পুথি

1. Kosambi, D.D. (2001): *The Cultural Civilization of Ancient India in Historical outline,* Vikas Publishing House.

2. Thapar Romila (20023): *The Penguin history of Early India, fromthe origins to AD 1300,* Penguin Books India

3. Singh Upindar (2009): *A History of Ancient and Early Medieval India, from the stone Age to the 12th Century,* Pearson.

## ১.৭ অগ্রগতিৰ খতিয়ান

১ নং **প্রশ্নৰ উত্তৰঃ** অনুসন্ধান , অনুসন্ধানৰ জৰিয়তে আহৰণ কৰা জ্ঞান।

২ নং **প্রশ্নৰ উত্তৰঃ** ফাৰনান্দ ব্রডেল

৩ নং **প্রশ্নৰ উত্তৰঃ** জন্ চিলি

৪ নং **প্রশ্নৰ উত্তৰঃ** অধ্যাপক জি.ই. হাৰ্ৱার্ড

৫ নং **প্রশ্নৰ উত্তৰঃ** অর্থনীতি

## ১.৮ আৰ্হি প্রশ্ন

**ক) বস্তুধর্মী প্রশ্ন**

**প্রশ্ন ১ঃ** ইতিহাসৰ পিতৃ বুলি কাক জনা যায়?

**প্রশ্ন ২ঃ** ইতিহাসৰ অধ্যয়নত বিপ্লৱৰ সূচনা কৰা লোকজন কোন ?

**প্রশ্ন ৩ঃ** হিষ্টৰিয়া (Historia) শব্দটোৰ অর্থ কি ?

**প্রশ্ন ৪ঃ** হিষ্টৰিয়া (Historia) শব্দটো কোন ভাষাৰ পৰা আহিছে ?

**খ) চুটি প্রশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)**

**প্রশ্ন ১ঃ** ইতিহাসৰ অর্থৰ ওপৰত এটা চমু টোকা লিখক।

**প্রশ্ন ২ঃ** ইতিহাস আৰু নৃতত্ব মাজৰ সমন্ধৰ ওপৰত এটা চমু টোকা লিখক।

**গ) ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)**

**প্রশ্ন ১ঃ** অনান্য সমাজ বিজ্ঞানৰ সৈতে ইতিহাসৰ সমন্ধ আলোচনা কৰক ।

**প্রশ্ন ২ঃ** বিষয় হিচাপে ইতিহাস অধ্যয়নৰ গুৰুত্ব সম্পর্কে বিশ্লেষণ কৰক।

*** ***** ***